# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-12-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin

::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট নগৰ পানীযোগান আঁচনিৰ আধাৰশিলা স্থাপন কৰে। ২২০ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্পৰ কাম ২০২৬ চনৰ ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পৰা যোৰহাটৰ ১৪ হাজাৰ ৭০০ তকৈ অধিক পৰিয়াল উপকৃত হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে যোৰহাটবাসীক বিভিন্ন আঁচনিৰ অধীনত অনুদানৰ  সাহায্য বিতৰণ কৰে। তেওঁ মাইক্ৰ'ফাইনেন্স উদগণি আঁচনিৰ অধীনত লোন আনদিউ অৰ্থাৎ লোনৰ ধনৰাশি আদায় দিবলৈ বাকী নথকাৰ প্ৰমাণ পত্ৰ বিতৰণ কৰে। আজিৰ অনুষ্ঠানতে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ উদ্যোগ আঁচনিৰ অধীনত ৩৬৬ গৰাকীলৈ মূলধনী বিনিয়োগৰ ৰাজসাহায্য আৰু দুৰ্যোগ ক্ষতিগ্ৰস্ত ৫টা পৰিয়াললৈ আৰ্থিক সাহায্য আগবঢ়োৱা হয়। মুখ্যমন্ত্ৰীয়ে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সমীপৰ কমাৰবন্ধা পথত নিৰ্মীয়মান প্ৰায় ৫৮১ মিটাৰ দৈৰ্ঘ্যৰ অভাৰব্ৰীজো পৰিদৰ্শন কৰে। অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিত্তমন্ত্ৰী তথা যোৰহাটৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগো উপস্থিত আছিল।

000

ৰাজ্য চৰকাৰে আছুতীয়া গণিতৰ শিক্ষক নিযুক্তি দিয়া পৰিকল্পনা কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এটা অনুষ্ঠানত এই কথা প্ৰকাশ কৰে। তেঁও ৰাজ্যত অহা বছৰ মে'ৰ ভিতৰত মাধ্যমিক খণ্ডত প্ৰায় ৯ হাজাৰ শিক্ষক-শিক্ষয়িত্ৰী নিযুক্তি দিবলৈ প্ৰস্তুতি চলোৱা বুলি ঘোষণা কৰে। ইয়াৰ ফলত শিক্ষাৰ গুণগত মান অধিক উন্নত হব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

তেওঁ কয়, যে পূৰ্বতে ৰাজ্যৰ বিদ্যালয়সমূহত বিজ্ঞান বিষয়ৰ শিক্ষক নিয়োগ কৰা হৈছিল আৰু তেওঁলোককে গণিতৰ শিক্ষা প্ৰদানৰো দায়িত্ব দিয়া হৈছে। এইবাৰ প্ৰথমবাৰৰ বাবে চৰকাৰে এহেজাৰ ৭৬০ টা গণিত শিক্ষকৰ পদ সৃষ্টি কৰাৰ সিদ্ধান্ত লৈছে। প্ৰতিখন মাধ্যমিক বিদ্যালয়ত একোজন গণিতৰ শিক্ষক আছুতীয়াকৈ থকাৰ ব্যৱস্থা কৰা হ'ব আৰু পৰ্যায়ক্ৰমে এই পদৰ সংখ্যা বৃদ্ধি কৰা হ'ব বুলি ডাঃ পেগুৱে জানিবলৈ দিয়ে।

000

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ১৮ কোটি ৫৭ লাখ টকাৰে নিৰ্মাণ হোৱা ৭ টাকৈ পথ আৰু ৩ খনকৈ দলং ৰাইজৰ নামত উৎসৰ্গা কৰে। এই পথসমূহৰ ভিতৰত ৰহাধৰ বিৰকলা, বৰবাং জেউতীপাৰা, বৰবাং গেন্দাপাৰা চুবুৰী, নিত্যানন্দ গৰখীয়া গোসাই, ডুমৰীয়া গাওঁ পথ অন্যতম। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰা পথসমূহে অঞ্চলটোৰ জনসাধাৰণৰ বাবে যাতায়াত সূচল কৰি তুলিব বুলি আশা প্ৰকাশ কৰে।

000

গোৱালপাৰা জিলা প্ৰশাসনে আজি বালিজান ৰাজহ চক্ৰৰ অন্তৰ্গত পঞ্চৰত্ন এলেকাত চৰকাৰী ভূমিত বেদখল কৰি থকা ৪৪টা পৰিয়ালক উচ্ছেদ কৰে। এগৰাকী জ্যেষ্ঠ বিষয়াই প্ৰকাশ কৰা মতে, এই পৰিয়ালসমূহক পূৰ্বতে ঠাই খালী কৰি দিবলৈ জাননী জাৰি কৰা হৈছিল।

গোৱালপাৰা জিলাৰ অতিৰিক্ত আয়ুক্ত, অতিৰিক্ত আৰক্ষী অধীক্ষক আৰু বালিজানা ৰাজহ চক্ৰ বিষয়া কেইগৰাকীৰ তত্বাৱধানত চলা এই উচ্ছেদ অভিযান কালত কিছু উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় যদিও আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

০০০

নগাওঁৰ ৰূপহীহাট আৰক্ষীয়ে আজি নগাওঁৰ পৰা তামুলীটোপলৈ অহা কেচা তামোলৰ এখন গাড়ীত অভিযান চলাই ১১০ টা মাদক দ্ৰব্য ভৰ্তি কনটেইনাৰ জব্দ কৰে। জব্দ কৰা মাদক দ্ৰব্যখিনিৰ ওজন ১৬৫ দশমিক ৭৭ গ্ৰাম হ'ব বুলি অনুমান কৰা হৈছে। আৰক্ষীয়ে এই সংক্ৰান্তত দুজন সৰবৰাহকাৰীকো আটক কৰে। ধৃত লোক দুজনক যোৰহাটৰ কাকজানৰ য়াচিন আলী আৰু তিনিচুকীয়াৰ ধুমডুমাৰুচান আলী বুলি চিনাক্ত কৰা হৈছে।

০০০

জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লগতে ৰেচন বিতৰণ প্ৰক্ৰিয়া অধিক স্বচ্ছ কৰি তোলাৰ লক্ষ্যৰে কাচাৰ জিলাত নতুন ৰেচন কাৰ্ড বিতৰণৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ উদ্দেশ্যে আজি শিলচৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ত এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত কাচাৰ জিলাৰ উপায়ুক্ত মৃদুল যাদৱৰ লগতে কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে। সভাৰ অন্তত আবেদন প্ৰক্ৰিয়া সৰল কৰা, জনসচেতনতা বৃদ্ধি, নতুন ৰেচন কাৰ্ড বিতৰণৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰা হয়।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত শ্ৰোতাসকলৰ বাতৰি সম্পৰ্কীয় মতামত, অভিযোগ আৰু পৰামৰ্শ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটিত Whatsapp নম্বৰ ৯৮৬৪০-৫৫৫৬৬ যোগে লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ লগতে অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ০৩৬১-২৬৬২৩২৫ এই দুটা নম্বৰত দিয়া অভিমত, প্ৰশ্ন আৰু উত্তৰ প্ৰচাৰিত হ'ব।

০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজিৰে পৰা প্ৰাগজ্যোতিষপুৰ সাহিত্য উৎসৱ অনুষ্ঠিত হৈছে। বিশিষ্ট নিবন্ধকাৰ তথা গৱেষক স্বামীনাথন গুৰুমূৰ্তিয়ে আজি শংকৰদেৱ শিক্ষা আৰু গৱেষণা ন্যাসে আয়োজন কৰা এই সাহিত্য উৎসৱ উদ্বোধন কৰে। পৰহিলৈ এই সাহিত্য উৎসৱৰ সামৰণি পৰিব।

০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈ ব্ৰীজবেনত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা ৫ বাজি ৫০ মিনিটত অনুষ্ঠিত হ'ব। দুয়োটা দলে বৰ্তমানলৈকে একোখনকৈ খেলত জয়লাভ কৰিছে। ভাৰতে পাৰ্থত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ২৯৫ ৰাণত আৰু অষ্ট্ৰেলিয়াই এদেলেইডত অনুষ্ঠিত দ্বিতীয়খন খেলত ১০ উইকেটত জয়লাভ কৰিছে।

০০০

ঃঃ সমাপ্ত ঃঃ